WORLD ENVIRONMENT DAY CELEBRATION '23

Women's Cell
North Gauhati College
Guwahati-31, Estd. 2002.
☎ 0361-2690037 (O)
E-mail:

NGC

মহিলা কোষ
উত্তৰ গুৱাহাটী মহাবিদ্যালয়
গুৱাহাটী-৩১, স্থাপিত:২০০২ চন।
☎ ০৩৬১-২৬৯০০৩৭ (কাৰ্যালয়)

No. ..................

Date : ..................

## বিষয়: বিশ্ব পৰিবেশ দিৱস উদযাপন ২০২৩

## তাৰিখ:০৭।০৬।২০২৩

বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি ০৭।০৬।২০২৩ ইং তাৰিখ বুধবাৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত স্থানীয় ৰঙধলা প্ৰাথমিক বিদ্যালয়ত কেবাটাও কাৰ্যসূচী পালন কৰা হয় ।প্ৰথমতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত গছপুলি বিতৰণ কৰা হয় ।তাৰপিছত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয় ।প্ৰাথমিক বিদ্যালয় খনৰ প্ৰায় পঞ্চাশ গৰাকী ছাত্ৰ ছাত্ৰীয়ে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে । প্ৰতিযোগিতাৰ অন্তত এটা বিতৰণী সভা অনুষ্ঠিত কৰা হয় ।প্ৰথম,দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপ্ত সকলক পুৰস্কাৰসমূহ বিতৰণ কৰাৰ উপৰিও দুগৰাকী ছাত্ৰ-ছাত্ৰীক উদগনি এটাও প্ৰদান কৰা হয় ।পুৰস্কাৰ বিতৰণৰ আৰম্ভণিতে মহিলা কোষৰ সম্পাদিকা সহকাৰী অধ্যাপিকা শিখা ৰাণী কাকতিয়ে পৰিবেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ উপৰিও উপস্থিত শিক্ষক- কৰ্মচাৰী, মাতৃগোট, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ উদ্দেশ্যে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে ।সহযোগী অধ্যাপিকা প্ৰতিমা বৰবাই পুৰস্কাৰসমূহ বিতৰণ কৰাৰ আৰম্ভণিতে এক সজাগতা মূলক বক্তৃতা প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলক প্লাষ্টিক মুক্ত পৰিৱেশ গঢ়াৰ বাবে আহ্বান জনায়। শেষত অংশগ্ৰহণকাৰী সকলো ছাত্ৰ-ছাত্ৰীকে উৎসাহ জনোৱাৰ উদ্দেশ্যে একোটিকৈ ক্ষুদ্ৰ উপহাৰো প্ৰদান কৰা হয় ।অনুষ্ঠানৰ শেষত অনুষ্ঠানটিৰ সফল ৰূপায়ণত সহায়-সহযোগিতা আগবঢ়োৱা বাবে সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই শলাগৰ শৰাই আগবঢ়াই কোষৰ সম্পাদিকা শিখা ৰাণী কাকতিয়ে।

সভাপতি,

[signature]

President
Women's Cell
North ...

সম্পাদিকা,
শিখা ৰাণী কাকতি

Secretary
Women's Cell
N.G. College, Ghy-31